**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 24-03-2025
**Time :** 1205 hrs

ASSAMESE MIDDAY BULLETIN

**::::::::::::::::::::**

অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমিন বিধানসভাত প্ৰৱেশ কৰাৰ সময়ত তেওঁৰ গাত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই হাত দিয়া বুলি বিজেপিৰ কেইগৰাকীমান বিধায়কে বিধানসভাত অভিযোগ উত্থাপন কৰাক লৈ সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হয়। এই হুলস্থূলীয়া পৰিবেশৰ বাবে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সদনৰ কাম-কাজ ১০ মিনিটৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু আন কেইবাগৰাকীও কংগ্ৰেছ বিধায়কে অভিযোগৰ সত্যাসত্য বিচাৰ কৰিবলৈ বিধানসভা চৌহদৰ চি চি টিভি ফুটেজ পৰীক্ষা কৰিবলৈ অধ্যক্ষক অনুৰোধ জনায়। বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অধ্যক্ষ শ্ৰীদৈমাৰীক এজাহাৰ দাখিল কৰিবলৈ অনুৰোধ জনায়। ইপিনে, বিধানসভাত শুকুৰবাৰে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কৰা অশোভনীয় আচৰণৰ প্ৰতিবাদত কংগ্ৰেছ দলৰ বিধায়কসকলে ক'লা বেজ পৰিধান কৰি বিধানসভাত প্ৰৱেশ কৰে। একেটা বিষয়ক লৈ এ আই ইউ ডি এফৰ বিধায়কসকলে সদনত হেঙাৰ-জপনা লৈ প্ৰৱেশ কৰে। সদনত বিষয়টো সম্পৰ্কত মন্তব্য কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে সিদিনা তেওঁ সদনত উপস্থিত নথকাৰ বাবেহে এনে ঘটনা ঘটিবলৈ পালে। ৰূপজ্যোতি কুৰ্মীক সংযত হ'বলৈ তেওঁ পুনৰবাৰ আহ্বান জনায় আৰু বিষয়টো ইমানতে সমাপ্ত কৰিবলৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক আহ্বান জনায়।

০০০০০

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অহা ২ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপি, ৰাভা হাছং যৌথ সমিতি আৰু অগপই ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। একেদৰে কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে পৰিষদৰ অন্তৰ্গত দুখন জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিত প্ৰচাৰ চলাই আছে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কালি আগিয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুচিত্ৰা নাথৰ লগতে আন দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। আজিও কেইবাগৰাকী নেতাই জিলাখনৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাব।

ইপিনে, পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। সমষ্টিটোত কালি কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা আৰু ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে ছয়গাঁৱৰ ৰাজীৱ ভৱনত উপস্থিত হৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

০০০০০

আজি বিশ্ব যক্ষ্মা দিৱস। এই দিৱস উপলক্ষে দেশৰ অন্যান্য স্থানৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানতো সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এইবাৰ এই দিৱসৰ প্ৰতিপাদ্য বিষয় হৈছে- **হয়, আমি যক্ষ্মা ৰোগক হৰুৱাব পাৰোঁ, সংকল্প লওক, অভিযানত অংশগ্ৰহণ কৰক, প্ৰচাৰ কৰক।** ৰাষ্ট্ৰীয় যক্ষ্মা

দূৰীকৰণ আঁচনি, অসমৰ অধীনত অসমত এই ৰোগ নিৰ্মূলৰ বাবে বিভিন্ন পদক্ষেপ লোৱা হৈছে। দীৰ্ঘদিন ধৰি কাহ হৈ থকা, কাহৰ লগত তেজ ওলোৱা, জ্বৰ, ভাগৰুৱা অনুভৱ, বুকুৰ বিষ, দীৰ্ঘদিন ধৰি ৰোগত ভূগি থকা, শৰীৰৰ যিকোনো অংগত টেমুনাৰ সৃষ্টি হোৱা, ৰাতি ঘাম ওলোৱা, শেহতীয়াকৈ শাৰীৰিক পৰিৱৰ্তন হোৱা, ওজন হ্ৰাস হোৱা আদিবোৰ যক্ষ্মা ৰোগৰ লক্ষণ হ'ব পাৰে। এনে লক্ষণে দেখা দিলে ততালিকে ওচৰৰ স্বাস্থ্যকেন্দ্ৰত স্বাস্থ্য পৰীক্ষা কৰোৱাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনোৱা হৈছে।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে মণিপুৰলৈ যোৱা উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া বিচাৰপীঠৰ দলটোৱে ৰাজ্যখনলৈ শান্তি ঘূৰাই অনাৰ বাবে আলোচনাৰ মাধ্যমেৰে সাংবিধানিক ব্যৱস্থা প্ৰৱৰ্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ভ্ৰমণৰ অন্তিম দিনা কালি মণিপুৰ উচ্চ ন্যায়ালয়ৰ দ্বাদশ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি দলটোৰ নেতা ন্যায়াধীশ জে জে গাভাইয়ে কয় যে সংবিধানৰ গণ্ডিৰ মাজত সকলো সমস্যাৰ সমাধান বিচাৰিব লাগিব। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা আৰু কেন্দ্ৰীয় ন্যায় দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালো উপস্থিত থকা এই অনুষ্ঠানত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এ ন কটেশ্বৰ সিঙো উপস্থিত আছিল।

০০০০০

দৰং জিলাৰ ধুলা আৰু খাৰুপেটিয়াৰ মাজত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি এখন যাত্ৰীবাহী বাহন দুৰ্ঘটনাত পতিত হয়। আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে দুৰ্ঘটনাত দুজন যাত্ৰী নিহত হয়। তেজপুৰৰ পৰা গুৱাহাটী অভিমুখে মুঠ ৩৫জন যাত্ৰী লৈ যাতায়ত কৰা বাছখনৰ বিপৰীত দিশৰ পৰা যোৱা এখন তীব্ৰবেগী ডি আই গাড়ীয়ে খুন্দিওৱাৰ ফলতে এই দুৰ্ঘটনাটো সংঘটিত হয়। মৃত যাত্ৰীকেইজনক বাতৰি লিখাৰ পৰলৈ চিনাক্ত কৰিব পৰা হোৱা নাই। মৃতদেহ দুটা আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আহত যাত্ৰীসকলকো চিকিৎসাৰ বাবে ওচৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০০

যোৱা নিশা গোলাঘাটৰ শালমাৰাত ৰে'লৰ খুন্দাত এগৰাকী মহিলাৰ মৃত্যু হয়। গুৱাহাটীৰ পৰা মৰিয়নী অভিমুখী ৰে'লৰ খুন্দাত সীমা গগৈ নামৰ মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

সমাপ্ত